জনসংযোগ, অসম

প্রেছ বাৰ্তা নং ঃ ৯৯

# সাংবাদিকৰ পেন্সন বৃদ্ধি আৰু কৰ্মৰত অৱস্থাত অকাল মৃত্যু বৰণ কৰা সাংবাদিকৰ পৰিয়াললৈ আৰ্থিক সাহায্য ঘোষণা মন্ত্ৰী পীযুষ হাজৰীকাৰ

**দিছপুৰ, ২০ মে'** ঃ অসমৰ তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই সাংবাদিকসকলৰ পেন্সন প্ৰতিমাহে ৮০০০ টকাৰ পৰা ১০,০০০ টকালৈ বৃদ্ধি কৰাৰ লগতে সাংবাদিকৰ কৰ্মৰত অৱস্থাত অকাল মৃত্যু বৰণ কৰা মৃতকৰ নিকটতম আত্মীয়ক ১ লাখৰ পৰা ৩ লাখ টকা পৰ্য্যন্ত এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে জনতা ভৱনৰ কাৰ্যালয়ৰ সভাকক্ষত জনসংযোগ বিভাগৰ শীৰ্ষ বিষয়া আৰু ভালেকেইটা সাংবাদিক সংগঠনৰ প্ৰতিনিধিৰ লগত হোৱা আলোচনাৰ অন্তত এই কথা প্ৰকাশ কৰে। আজিৰ সভাত তথ্য আৰু জনসংযোগ বিভাগৰ সচিব নীৰা গগৈ সোণোৱাল, তথ্য আৰু জনসংযোগৰ সঞ্চালক অনুপম চৌধুৰীসহ ভালেকেইগৰাকী বিষয়া উপস্থিত থাকে।

এচ.কে.বি./প্ৰ.দ./২০-০৫-২০২১.